জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬১/২০২২

# লখিমপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় ৰাইজৰ সেৱাত উৎসৰ্গা কৰিলে মুখ্যমন্ত্ৰীয়ে

## নতুন চিকিৎসা মহাবিদ্যালয়খনে ধেমাজি, লখিমপুৰ আৰু বিশ্বনাথৰ জনসাধাৰণক উন্নত মানৰ স্বাস্থ্য সেৱা আগবঢ়াবলৈ সক্ষম হ'ব ঃ মুখ্যমন্ত্ৰী

### অসম চৰকাৰে অহা বিত্তীয় বৰ্ষত ৰাজ্যত ৫ খন নতুন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কৰিব

**দিছপুৰ, ১৫ ফেব্ৰুৱাৰী ঃ** ৰাজ্যখনত চিকিৎসা শিক্ষাৰ আন্তঃগাঁথনি অধিক শক্তিশালী কৰিবলৈ অসম চৰকাৰে আৰম্ভ কৰা অবিৰত যাত্ৰাৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নৱনিৰ্মিত লখিমপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়খন জনসাধাৰণৰ সেৱাত উৎসৰ্গা কৰে।

আজি লখিমপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ শুভ উদ্বোধনৰ লগে লগে ৰাজ্যত চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ৮ খনলৈ বৃদ্ধি পালে। উল্লেখ্য যে ১৬৮ বিঘা মাটিকালি সামৰি ৫০০.৮৯ কোটি টকা ব্যয়ৰে এই প্ৰকল্পটি ৰূপায়ণ কৰা হৈছে। এই চিকিৎসা মহাবিদ্যালয়ত ১০০ গৰাকী শিক্ষাৰ্থীয়ে বাৰ্ষিক নামভৰ্তি কৰিব পাৰিব। ইয়াৰ ফলত ৰাজ্যখনত মুঠ এম বি বি এছ আসনৰ ক্ষমতা ১১০০ খনলৈকে বৃদ্ধি পালে। এই চিকিৎসা মহাবিদ্যালয়ত অত্যাধুনিক সুবিধা সম্বলিত ৫ টা বক্তৃতা হল, শিক্ষাৰ্থীসকলৰ বাবে ৪৩০ টা কোঠা সম্বলিত আৱাসগৃহ, ইণ্টাৰ্ণৰ বাবে ১২২ টা কোঠা সম্বলিত আৱাসগৃহ আৰু আৱাসিক চিকিৎসকৰ বাবে ৬৬ টা কোঠা সম্বলিত আৱাসগৃহ ব্যৱস্থা কৰা হৈছে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনত গুণগত চিকিৎসা প্ৰদানৰ দিশত আজি এক ঐতিহাসিক দিনৰ সূচনা হ'ল আৰু ৰাজ্যখনৰ এই অষ্টমখন চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ে ধেমাজি, লখিমপুৰ আৰু বিশ্বনাথৰ জনসাধাৰণক উন্নত মানৰ স্বাস্থ্য সেৱা আগবঢ়াবলৈ সক্ষম হ'ব। মুখ্যমন্ত্ৰীয়ে অসমৰ জনসাধাৰণক তথা এই চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ দিশত সহযোগিতা আগবঢ়োৱা সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰি কয় যে এই চিকিৎসা মহাবিদ্যালয়খনে গুণগত আৰু উন্নত মানদণ্ডৰ স্বাস্থ্য সেৱা আগবঢ়োৱাৰ দিশত যথেষ্ট পৰিমাণে অৰিহণা যোগাবলৈ সক্ষম হ'ব।

মুখ্যমন্ত্ৰীয়ে কয় যে চুপাৰস্পেছিয়েলিটি চিকিৎসকৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি আগন্তুক দিনত এই মহাবিদ্যালয়খনক স্নাতকোত্তৰ পৰ্যায়লৈ উন্নীত কৰা হ'ব। যিবোৰ চিকিৎসা মহাবিদ্যালয়ত স্নাতক পৰ্যায়লৈ শিক্ষাৰ ব্যৱস্থা আছে সেই চিকিৎসা মহাবিদ্যালয়সমূহত স্নাতকোত্তৰ শিক্ষা প্ৰদানৰ দিশত ৰাজ্য চৰকাৰে প্ৰয়াস চলাই আহিছে। তেওঁ কয় যে আগন্তুক বিত্তীয় বৰ্ষত ৰাজ্য চৰকাৰে নতুনকৈ ৫ খন চিকিৎসা মহাবিদ্যালয় বিভিন্ন জিলাত স্থাপন কৰিব। তেওঁ লগতে কয় যে দন্ত মহাবিদ্যালয় আৰু বি এছ চি

নাৰ্চিং প্ৰতিষ্ঠান সহিতে এখন কৰ্কট হাস্পতাল লখিমপুৰত নিৰ্মাণ কৰা হ'ব। তৃণমূল পৰ্যায়লৈ চিকিৎসা সেৱা আগবঢ়োৱা দিশত থকা ৰাজ্য চৰকাৰৰ দায়বদ্ধতাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কিছু বছৰৰ ভিতৰত অসমৰ সকলো গাঁওবাসীয়ে কমেও দুজনকৈ চিকিৎসক লাভ কৰিব আৰু এই দিশত ৰাজ্য চৰকাৰে নিৰন্তৰ প্ৰয়াস চলাই আহিছে। মুখ্যমন্ত্ৰীয়ে লখিমপুৰত এটা বৃহৎ ক্ৰীড়া প্ৰকল্পৰ লগতে সংহত উপায়ুক্তৰ কাৰ্যালয় নিৰ্মাণ কৰাৰ কথাও ঘোষণা কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই নেতৃত্ব আৰু পথ নিৰ্দেশনাৰ বাবে মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰি কয় যে আজি ৰাজ্যখনে চিকিৎসাৰ ক্ষেত্ৰত এটা নতুন অধ্যায়ৰ সূচনা কৰিবলৈ সক্ষম হৈছে। মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত স্বাস্থ্য বিভাগে লোৱা বিভিন্ন পদক্ষেপৰ বিষয়েও আলোকপাত কৰে।

সাংসদ প্ৰদান বৰুৱা আৰু বিধায়ক মানৱ ডেকাই ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত বিধায়ক নৱ কুমাৰ দলে, লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ অনুপ কুমাৰ দাস আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে লখিমপুৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ জহিঙত স্থায়ী চৌহদৰ উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়নৰ দিশত কৃষিখণ্ডই বৃহৎ ভূমিকা গ্ৰহণ কৰি আহিছে। ৰাজ্যখনৰ পশুপালন খণ্ডৰ উত্তৰণৰ দিশত জহিং চৌহদে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব বুলিও কয়। এই মহাবিদ্যালয়খন আপাতত নতুন হ'লেও গুণগত মানৰ সম্পদ গঢ়ি তোলাৰ দিশত এক উপযুক্ত শৈক্ষিক পৰিৱেশৰ সূচনা কৰিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি মহাবিদ্যালয়খনে কৃষিখণ্ডৰ বিকাশ আৰু উন্নয়নৰ দিশত যথেষ্ট অৰিহণা যোগাবলৈ সক্ষম হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে লখিমপুৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বাইপাছত এক বৃক্ষৰোপণৰ কাৰ্যসূচীৰো শুভাৰম্ভ কৰে। এই প্ৰকল্পৰ অধীনত ১৬০০টা আলংকৰিক গছপুলি ৰোপণ কৰা হ'ব। এই বৃক্ষৰোপণৰ ফলত সমগ্ৰ এলেকাটোৰ সৌন্দৰ্যবৰ্দ্ধনৰ দিশত এক নতুন মাত্ৰাৰ সংযোজন হ'ব। উল্লেখ্য যে ডিষ্ট্ৰিক্ট মিনাৰেল ফাউণ্ডেশ্যন ট্ৰাষ্টৰ অধীনত এই প্ৰকল্পটো ৰূপায়ণ কৰা হ'ব।

লখিমপুৰ জিলা ভ্ৰমণৰ অংশ হিচাপে ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ মৈদমীয়াত ভাৰতীয় জনতা পাৰ্টিৰ লখিমপুৰ জিলা কাৰ্যালয় মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰে। এই উপলক্ষে মুখ্যমন্ত্ৰীয়ে দলৰ প্ৰবীণ নেতাসকলৰ সৈতে মত-বিনিময় কৰে আৰু তেওঁলোকৰ পৰা আশীৰ্বাদ লয়।

মুখ্যমন্ত্ৰীয়ে লখিমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়ৰ প্ৰশাসনিক ভৱনৰো উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে শৈক্ষিক উৎকৃষ্টতা প্ৰদানৰ দিশত এই মহাবিদ্যালয়ে যাতে কাম কৰিব পাৰে তাৰ বাবে আন্তঃগাঁথনি আৰু শৈক্ষিক বিকাশৰ বাবে ৰাজ্য চৰকাৰে সহযোগিতা আগবঢ়াব।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, সাংসদ প্ৰদান বৰুৱা, বিধায়কসকল ক্ৰমে মানৱ ডেকা, নৱ কুমাৰ দলে, অমিয় কুমাৰ ভূঞা আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**
**১৫-২-২০২২**